**Signature and Name of Invigilator**

1. (Signature) ______________________

   (Name) ______________________

2. (Signature) ______________________

   (Name) ______________________

**OMR Sheet No. :** ..............................................

(To be filled by the Candidate)

**Roll No.** | | | | | | | |

(In figures as per admission card)

**Roll No.** ______________________

(In words)

**Test Booklet No.**

**J—3608**

**PAPER—II**

# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered in the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.

   **Example :** (A) (B) ● (D)

   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या OMR पत्रक पर अंकित करें और OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।

   **उदाहरण :** (A) (B) ● (D)

   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक ( कैलकुलेटर ) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

# অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) objective-type questions, each question carrying **two** (2) marks. Attempt **all** of them.

**টোকা ঃ** এই প্ৰশ্ন-কাকতত বহু-বিকল্পীয় ৫০ (পঞ্চাছ) টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ২ (দুই)। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।

**তলৰ 1 ৰ পৰা 15 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত** A, B, C, D, **চাৰিটা বিকল্পীয় উত্তৰ দিয়া হৈছে। তাৰপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।**

**1.** ১৯০৭ চনত হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা মুঠতে কেইখন একে পৰ্যায়ৰ পুথি সংগ্ৰহ কৰি আনি প্ৰকাশ কৰে?

(A) চাৰিখন (B) পাঁচখন (C) ছ খন (D) তিনিখন

**2.** তলৰ কোনজন কবি প্ৰাক্ শঙ্কৰী যুগৰ কবি নহয়—

(A) ৰুদ্ৰ কন্দলি (B) অনন্ত কন্দলি (C) মাধৱ কন্দলি (D) হেম সৰস্বতী

**3.** তলৰ কোনবিধ গীত মালিতা-শ্ৰেণীৰ গীতৰ অন্তৰ্ভুক্ত?

(A) হাইদাংগীত (B) বিয়ানাম (C) বৰফুকনৰ গীত (D) মহখেদা গীত

**4.** ‘গীতি-ৰামায়ণ’ পুথিখনৰ ৰচয়িতা কোন?

(A) ৰঘুনাথ মহন্ত (B) মাধৱ কন্দলি (C) সুকবি নাৰায়ণদেৱ (D) দুৰ্গাবৰ কায়স্থ

**5.** তলৰ কোনজন ‘অৰুণোদই’ৰ প্ৰভাৱমুক্ত লেখক নহয়।

(A) দীননাথ বেজবৰুৱা (B) হৰকান্ত বৰুৱা সদৰামীন
(C) আনন্দৰাম ঢেকিয়ালফুকন (D) দুতিৰাম হাজৰিকা

**6.** তলৰ কোন খন পুথিৰ ৰচক ডিম্বেশ্বৰ নেওগ?

(A) নিকা অসমীয়া (B) শুধ অসমীয়া (C) আদৰ্শ অসমীয়া (D) অসমীয়া ভাষা

7. 'A Few Remarks on Assamese Language and on Vernacular Education in Assam' নামৰ পুস্তিকাখনৰ লেখক কোন?

(A) ড০ মাইলছ ব্ৰন্সন
(B) ড০ নাথান ব্ৰাউন
(C) ৰেভ. উইলিয়াম ৰবিন্স
(D) আনন্দৰাম ঢেকিয়াল ফুকন

8. তলৰ কোনখন গ্ৰন্থৰ গ্ৰন্থকাৰ ড০ গোলোক চন্দ্ৰ গোস্বামী?

(A) A Study on Kamrupi : A Dialect of Assamese
(B) Structure of Assamese
(C) A Descriptive Analysis of the Boro Language
(D) An Introduction to Assamese

9. তলৰ কোনটো শব্দ বিশেষণ নহয়—

(A) ৰঙীণ
(B) ৰঙিয়াল
(C) ৰঙা
(D) ৰং

10. Assamese, Its Formation and Develoment গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰোঁতাজনৰ নাম—

(A) বিশ্বেশ্বৰ হাজৰিকা
(B) প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য
(C) গোলোক চন্দ্ৰ গোস্বামী
(D) ৰমেশ পাঠক

11. ৰজা ভাস্কৰ বৰ্মাই তলৰ কোনবিধ সামগ্ৰী হৰ্ষবৰ্ধনলৈ উপহাৰ হিচাপে পঠোৱাৰ কথা ‘হৰ্ষচৰিত’ৰ পৰা জানিব পাৰি?

(A) পিতলৰ শৰাই
(B) পাটৰ কাপোৰ
(C) কাঠৰ গঁড়
(D) এড়ী চাদৰ

12. ‘ছাবিন-আলুন’ কাৰ্বিসকলৰ মাজত প্ৰচলিত—

(A) মহাভাৰতৰ কাহিনী
(B) ভাগৱতৰ কাহিনী
(C) ৰামায়ণৰ কাহিনী
(D) কীৰ্তনৰ কাহিনী

13. মহো-হো অনুষ্ঠান পালিত হয় —

(A) উজনিত
(B) নামনিত
(C) বৰাকত
(D) মধ্য অসমত

14. তলৰ কোনটো সজুঁলি তাঁতশালৰ লগত জড়িত নহয়—

(A) কতৰা
(B) নাচনি
(C) গৰকা
(D) তোলোঠা

**15.** মালিনীথান ক'ত?

(A) অসমত (B) মেঘালয়ত (C) অৰুণাচলত (D) নগালেণ্ডত

**16.** তলৰ কোনটো জনগোষ্ঠী টাইগোষ্ঠীৰ অন্তৰ্ভুক্ত নহয়—

(A) খাময়াং (B) আইতন (C) ফাকে (D) তিৱা

**17.** তলৰ কোনবিধ বাধ্যযন্ত্ৰ নহয়—

(A) সুতুলি (B) ঢোলবিৰি (C) ছেৰজা (D) টকা

**18.** ধ্বনিবাদৰ প্ৰধান প্ৰবক্তাজনৰ নাম—

(A) আনন্দবৰ্ধন (B) ভামহ (C) বামন (D) দণ্ডী

**19.** ৰবীন্দ্ৰনাথ ঠাকুৰে কোন চনত 'বিশ্বসাহিত্য' শীৰ্ষক বক্তৃতা প্ৰদান কৰিছিল?

(A) **১৯০১** (B) **১৯০৫** (C) **১৯০৭** (D) **১৯১০**

**20.** 'অনুবাদৰ কথা' প্ৰবন্ধটোৰ লেখকৰ নাম—

(A) বাণীকান্ত কাকতি (B) মহেশ্বৰ নেওগ

(C) সত্যেন্দ্ৰনাথ শৰ্ম্মা (D) কৃষ্ণকান্ত সন্দিকৈ

**তলৰ 21 ৰ পৰা 25 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰত A B C D এই চাৰিটা বিকল্প দিয়া হৈছে। উত্তৰ-পত্ৰত এই চাৰিটা বিকল্পৰ মাজৰ পৰা একোটা শুদ্ধ জোঁট বাছি চিহ্নিত কৰা।**

**21.** 'অৰুণোদই'ৰ সম্পাদনাৰ সৈতে জড়িত ব্যক্তিকেইজন—

(i) এ. এইচ.ডেনফোৰ্থ

(ii) এচ. এম. হুইটিং

(iii) ডব্লিউ বাৰ্ড

(iv) উইলিয়াম ৰবিনছন

(A) (i) আৰু (iv) (B) (i), (ii), আৰু (iii)

(C) (iii) আৰু (iv) (D) (ii), (iii),আৰু (iv)

22. ঊনবিংশ শতিকাত অসমৰ পৰা প্ৰকাশ পোৱা সংবাদপত্ৰ কেইখন হ'ল—

(i) মৌ

(ii) অৰুণোদই

(iii) আসাম দৰ্পণ

(iv) আসাম বিলাসিনী

(A) (i) আৰু (ii)
(B) (ii) আৰু (iii)
(C) (i), (ii) আৰু (iii)
(D) (ii) আৰু (iv)

23. সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত দুখন গ্ৰন্থৰ নাম—

(i) শেৱালি

(ii) বনফুল

(iii) কেতেকী

(iv) অলকানন্দা

(A) (i) আৰু (ii)
(B) (ii) আৰু IV
(C) (ii) আৰু (iii)
(D) (i) আৰু (iii)

24. তলৰ অলঙ্কাৰ কেইটাৰ ভিতৰত শব্দালঙ্কাৰৰ উদাহৰণ—

(i) অতিশয়োক্তি

(ii) অনুপ্ৰাস

(iii) বক্ৰোক্তি

(iv) নিদৰ্শনা

(A) (i) আৰু (ii)
(B) (ii) আৰু (iii)
(C) (i) আৰু (iv)
(D) (iii) আৰু (iv)

25. তলৰ লেখকসকলৰ মাজৰ কোন দুজন বৈয়াকৰণ?

(i) লক্ষ্মীনাথ বেজবৰুৱা

(ii) হেমচন্দ্ৰ বৰুৱা

(iii) সত্যনাথ বৰা

(iv) হেমচন্দ্ৰ গোস্বামী

(A) (ii) আৰু (iii) (B) (iii) আৰু (iv)

(C) (i) আৰু (iv) (D) (i) আৰু (iii)

**তলৰ 26 ৰ পৰা 35 লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A, B, C আৰু D– এই চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰে শুদ্ধ উত্তৰটো চিহ্নিত কৰা।**

26. "মহাভাৰতৰ দৰে এখন সাগৰ সঙ্কাশ পুথি সফলতাৰে অনুবাদ কৰা সামান্য পৰিশ্ৰম, পাণ্ডিত্য আৰু কবিত্বৰ পৰিচায়ক নহয়।"

(A) মহাভাৰত পুথি অনুবাদ কৰা সহজ কাম। পৰিশ্ৰম, পাণ্ডিত্য আৰু কবিত্ব নহ'লেও এই কাৰ্যত হাত দিব পাৰি।

(B) মহাভাৰত অনুবাদ কৰিবলৈ শাৰীৰিক শক্তিৰ লগতে সামান্য পাণ্ডিত্য আৰু কবিত্ব লাগিব।

(C) মহাভাৰত এখন বিশাল পুথি; এই পুথি অনুবাদ কৰিবলৈ পাণ্ডিত্য, কবিত্ব আৰু পৰিশ্ৰম-সাধ্যতা লাগিব।

(D) মহাভাৰত পুথি সহজে সফলতাৰে অনুবাদ কৰিব পাৰি।

27. "কোনো ঠাইৰ ভাষাৰ আছল ৰূপ পাবলৈ হ'লে মহিলাসকলৰ ভাষা নিৰীক্ষণ কৰাটো দৰ্কাৰ, কিয়নো তেওঁলোকে ভাষাৰ আচল ৰূপটো সংৰক্ষণ কৰে।"

(A) মহিলাসকল ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত ৰক্ষণশীল।

(B) পুৰুষসকলৰ ভাষা বিকৃত আৰু কৃত্ৰিম।

(C) কোনো ঠাইৰ ভাষা এটা কেৱল মহিলাসকলেহে সংৰক্ষণ কৰে।

(D) ভাষা এটাৰ আছল ৰূপ নিৰীক্ষণ কৰা সহজ কাম।

28. "এই দুটি চঞ্চল নীল পদুম"। এই বাক্যটিত উপমানে উপমেয়ক গ্ৰাস কৰিছে। ই হ'ল তলৰ অলঙ্কাৰটিৰ উদাহৰণ—

(A) অতিশয়োক্তি (B) উপমা (C) বক্ৰোক্তি (D) যমক।

29. "শিল্পী মোৰ মনেৰে তই
শিল্পী মোৰ প্ৰাণেৰে তই
শিল্পী মোৰ গানেৰে
সুৰেৰে
ছবিৰে
ৰূপেৰে তই জুই জলালি
নিত্য নতুন হবিৰে
চিনাকি তোৰ যুগ যুগৰে
ৰবিৰে।"

এই কবিতাফাঁকি তলৰ কোনবিধ অলঙ্কাৰৰ উদাহৰণ—

(A) বৃত্ত্যনুপ্ৰাস (B) অত্যানুপ্ৰাস (C) শ্লেষ (D) ছেকানুপ্ৰাস

30. "ভাৰতীয় সংস্কৃতি যথাৰ্থতে সমন্বয়ৰ সংস্কৃতি। তাৰে অসমীয়া সংস্কৃতিত অষ্ট্ৰিক আৰু মঙ্গোলীয় সংস্কৃতিয়ে পলস পেলাই, সাৰুৱা কৰি থৈ যোৱা বহল পথাৰতহে আলপাইন আৰু আৰ্য্য সংস্কৃতিয়ে গা কৰি উঠিছিল।"

(A) ভাৰতীয় সংস্কৃতি একেআগী (Homogenious) সংস্কৃতি। ই বিশাল আৰু প্ৰাচীন।

(B) ভাৰতীয় সংস্কৃতিত বিদেশী সংস্কৃতিৰ প্ৰভাৱ অপৰিসীম।

(C) ভাৰতীয় সংস্কৃতি আৰ্য্য, আলপাইন, মঙ্গোলীয় আৰু অষ্ট্ৰিক সংস্কৃতিৰ সমন্বয়।

(D) ভাৰতীয় সংস্কৃতি বুলি আৰ্য্য সংস্কৃতিৰ কথাকে বুজোৱা হয়।

31. "সংস্কৃতত উচ্চাৰণ-পদ্ধতিৰ যি অশিথিল অনুশাসন আছে আৰু লিপি যিদৰে শ্ৰুতিৰ অনুগামী, অসমীয়াত সেই লক্ষণ সম্পূৰ্ণ বিৰল।"

(A) সংস্কৃত আৰু অসমীয়া ভাষাত উচ্চাৰণ অনুযায়ী শব্দৰ বানান লিখা হয়। দুয়োভাষাৰ এই ক্ষেত্ৰত মিল দেখা যায়।

(B) অসমীয়া শব্দৰ উচ্চাৰণ বানানৰ অনুগামী। সংস্কৃত শব্দৰ উচ্চাৰণত স্বাধীনতা অধিক।

(C) সংস্কৃত শব্দৰ উচ্চাৰণ পদ্ধতি কটকটীয়া; ইয়াত শব্দ যিদৰে লিখা হয় উচ্চাৰণ তদনুৰূপ।

(D) যিকোনো ভাষাৰ উচ্চাৰণ পদ্ধতি সদায় লিপিৰ অনুগামী হোৱা উচিত।

32. “উঠাহে ফুলৰা, উঠাহে চতলা, উঠা দেববালা, স্বৰূপ ধৰি।

পূৰ্ণ হ’ল আজি, শতেক বছৰ, আৰু কতকাল থাকিবা পাৰি।”

এই কবিতাফাঁকি বিশ্লেষণ কৰিলে পোৱা যায়—

(A) উঠাহে ফুলৰা উঠাহে /[যতি] উঠা দেববালা, স্বৰূপ ধৰি। /[পূৰ্ণযতি]। পূৰ্ণ হ’ল আজি, শতেক বছৰ /[যতি] আৰু কতকাল, থাকিবা পাৰি।। /[পূৰ্ণযতি]

(B) উঠাহে ফুলৰা /[যতি] উঠাহে চতলা /[যতি] উঠা দেববালা /[যতি] স্বৰূপ ধৰি।/[পূৰ্ণযতি] পূৰ্ণ হ’ল আজি /[যতি] শতেক বছৰ /[যতি] আৰু কতকাল /[যতি] থাকিবা পাৰি। /[পূৰ্ণযতি]

(C) যতিয়ে বিভক্ত কৰা ধ্বনি প্ৰবাহৰ অংশবোৰকে পৰ্ব (foot) বোলা হয়। এনেদৰে, উক্ত কবিতাফাঁকিত থকা পৰ্বৰ সংখ্যা যোল্ল।

(D) উক্ত কবিতাফাঁকিত থকা চৰণৰ সংখ্যা আঠ।

33. “অসমৰ সংস্কৃতিৰ বিশেষ লক্ষ্য কৰিবলগীয়া এটা দিশ হ’ল ইয়াৰ সাংস্কৃতিক সমন্বয়। মানুহবোৰ মঙ্গোলীয় অনাৰ্য; কিন্তু ইয়াৰ সংস্কৃতি আৰু ধৰ্ম আৰ্যমুখী।” এই উক্তিটিৰ পৰিপ্ৰেক্ষিতত তলৰ কোনটি নিষ্কৰ্ষলৈ আহিব পাৰি—

(A) অসমৰ সংস্কৃতি মূলত ঃ আৰ্যসংস্কৃতি।

(B) অসমৰ সংস্কৃতিত আৰ্য আৰু আৰ্যভিন্ন সাংস্কৃতিক উপাদান বিদ্যমান।

(C) অসমত কেৱল মঙ্গোলীয় জনগোষ্ঠী আৰু তেওঁলোকৰ নিজস্ব সংস্কৃতিহে আছে।

(D) অসমৰ সংস্কৃতি আৰ্য সংস্কৃতিৰ বিকৃত ৰূপ।

34. “প্ৰকৃতি সম্বন্ধে কালিদাস আৰু ৱৰ্ডচৰথৰ আদৰ্শ একে নে? আধুনিক ভাৰতীয় কাব্যত এই দুটাৰ কোনটো আদৰ্শ অধিক প্ৰতিফলিত?

এই কথাফাঁকিৰ পৰা আমি এনে সিদ্ধান্তলৈ আহিব পাৰোঁ—

(A) তুলনামূলক অধ্যয়নৰ দ্বাৰা এই প্ৰশ্নৰ মীমাংসা কৰিব পাৰি।

(B) প্ৰকৃতি সম্বন্ধে সকলো কবিৰে আদৰ্শ একে।

(C) আধুনিক ভাৰতীয় কাব্যত কেৱল ভাৰতীয় আদৰ্শহে প্ৰতিফলিত হৈছে।

(D) একেই প্ৰকৃতিক ভিন্নভাৱে সাহিত্যত প্ৰতিফলিত কৰিব পৰা নাযায়।

35. "ভাৱগত অৰ্থাৎ সৃষ্টিশীল ৰচনাৰ অনুবাদ নিতান্তই জটিল কাৰ্য।"

এই কথাষাৰিৰ পৰা এনে সিদ্ধান্তলৈ আহিব পাৰি—

(A) সৃষ্টিশীল সাহিত্যৰ অনুবাদ মুঠেই সম্ভৱ নহয়।

(B) সৃষ্টিশীল সাহিত্যৰ অনুবাদ অসম্ভৱ নহয় কিন্তু জটিলহে।

(C) অনুবাদ নিজেই এটি সৃষ্টিকৰ্ম।

(D) সৃষ্টিশীল ৰচনাত সিদ্ধহস্ত হলেহে ভাল অনুবাদক হ'ব পাৰি।

**তলৰ 36 ৰ পৰা 45 লৈ দিয়া প্ৰশ্নসমূহত 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই A, B, C আৰু D চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে শুদ্ধ বিকল্পটো চিহ্নিত কৰা।**

36. **স্তম্ভ 'ক'** — **স্তম্ভ 'খ'**

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | ৰুদ্ৰৰাম বৰদলৈ | (i) | সেউতি-কিৰণ |
| (b) | পদ্মনাথ গোহাঞিবৰুৱা | (ii) | বঙাল-বঙালনী |
| (c) | লক্ষ্মীনাথ বেজবৰুৱা | (iii) | বাণৰজা |
| (d) | বেণুধৰ ৰাজখোৱা | (iv) | বেলিমাৰ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iii) | (i) | (iv) |
| (B) | (i) | (ii) | (iii) | (iv) |
| (C) | (ii) | (iii) | (iv) | (i) |
| (D) | (iv) | (i) | (iii) | (ii) |

37. **স্তম্ভ 'ক'** — **স্তম্ভ 'খ'**

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | হেমচন্দ্ৰ বৰুৱা | (i) | ৰূপচন্দ্ৰ ভাগৱতী |
| (b) | শৰৎ চন্দ্ৰ গোস্বামী | (ii) | ৰাস্না বৰুৱা |
| (c) | বাণীকান্ত কাকতি | (iii) | সোণাৰ চাঁদ ডেকাবৰুৱা |
| (d) | বিৰিঞ্চিকুমাৰ বৰুৱা | (iv) | ভবানন্দ পাঠক |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iv) | (iii) | (i) |
| (B) | (i) | (ii) | (iii) | (iv) |
| (C) | (iv) | (ii) | (iii) | (i) |
| (D) | (iii) | (i) | (iv) | (ii) |

38. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | যতীন্দ্ৰনাথ দুৱৰা | (i) | ১৮৯৯ |
| (b) | অম্বিকাগিৰি ৰায় চৌধুৰী | (ii) | ১৮৯৮ |
| (c) | নলিনীবালা দেবী | (iii) | ১৮৮৫ |
| (d) | ডিম্বেশ্বৰ নেওগ | (iv) | ১৮৯২ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (iv) | (i) | (ii) |
| (B) | (i) | (ii) | (iv) | (iii) |
| (C) | (iv) | (iii) | (ii) | (i) |
| (D) | (i) | (ii) | (iii) | (iv) |

39. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | সাদৰী | (i) | ১৯৪০ |
| (b) | শেৱালি | (ii) | ১৯১০ |
| (c) | প্ৰতিধ্বনি | (iii) | ১৯৩২ |
| (d) | অগ্নিমন্ত্ৰ | (iv) | ১৯৫০ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (ii) | (iii) | (i) | (iv) |
| (B) | (i) | (iv) | (iii) | (ii) |
| (C) | (iii) | (ii) | (iv) | (i) |
| (D) | (iv) | (i) | (ii) | (iii) |

40. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | দেউৰী | (i) | ৰাংগালা |
| (b) | মিচিং | (ii) | বাগুৰুম্বা |
| (c) | ৰাভা | (iii) | প'ৰাগ |
| (d) | বড়ো | (iv) | লেৰাটানা |
| | | (v) | মিনুচি লিদুৰবা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iv) | (v) | (iii) |
| (B) | (iii) | (i) | (ii) | (v) |
| (C) | (v) | (iii) | (iv) | (ii) |
| (D) | (iv) | (v) | (iii) | (ii) |

41. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | নৈষধ চৰিত | (i) | বিশ্বনাথ কবিৰাজ |
| (b) | নাট্যশাস্ত্ৰ | (ii) | শ্ৰীহৰ্ষ |
| (c) | সাহিত্য দৰ্পন | (iii) | আনন্দ বৰ্ধন |
| (d) | ধ্বন্যালোক | (iv) | ভৰতমুনি |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iv) | (iii) |
| (B) | (ii) | (iv) | (i) | (iii) |
| (C) | (iii) | (iv) | (ii) | (i) |
| (D) | (iv) | (iii) | (i) | (ii) |

42. স্তম্ভ 'ক' স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (a) | বাৰ মাহৰ তেৰ গীত | (i) | মহেশ্বৰ নেওগ |
| (b) | স্নেহৰ অৰুণাচল, মাই হিলছ'ছ'ষ্ট্ৰং | (ii) | সত্যেন্দ্ৰনাথ শৰ্মা |
| (c) | ৰামায়ণৰ ইতিবৃত্ত | (iii) | বাণীকান্ত কাকতি |
| (d) | প্ৰাচীন কামৰূপৰ ধৰ্মৰ ধাৰা | (iv) | প্ৰফুল্লদত্ত গোস্বামী |
| | | (v) | লক্ষ্মীনাথ বেজবৰুৱা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (v) | (iv) | (iii) |
| (B) | (ii) | (iii) | (iv) | (v) |
| (C) | (iii) | (ii) | (i) | (iv) |
| (D) | (iv) | (i) | (ii) | (iii) |

43. স্তম্ভ 'ক' স্তম্ভ 'খ'

| স্তম্ভ 'ক' | | স্তম্ভ 'খ' | |
|---|---|---|---|
| (a) | যতীন্দ্ৰনাথ দুৱৰা | (i) | অগ্নিকবি |
| (b) | কমলাকান্ত ভট্টাচাৰ্য্য | (ii) | শেৱালি কবি |
| (c) | ৰত্নকান্ত বৰকাকতি | (iii) | বিদ্ৰোহী কবি |
| (d) | প্ৰসন্নলাল চৌধুৰী | (iv) | বনফুলৰ কবি |
| | | (v) | বকুলবনৰ কবি |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iv) | (i) | (iii) | (ii) |
| (B) | (iv) | (i) | (ii) | (iii) |
| (C) | (iii) | (iv) | (v) | (ii) |
| (D) | (ii) | (iii) | (iv) | (v) |

44. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | মহামায়া থান | (i) | গোৱালপাৰা |
| (b) | পাগলাটেক | (ii) | তেজপুৰ |
| (c) | বামুণী পাহাৰ | (iii) | বগৰীবাৰী |
| (d) | চিকুন আতাৰ থান | (iv) | শিৱসাগৰ |
| | | (v) | বোকাখাত |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iii) | (iv) | (v) |
| (B) | (ii) | (v) | (iii) | (i) |
| (C) | (iii) | (i) | (ii) | (v) |
| (D) | (v) | (iv) | (iii) | (ii) |

45. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| (a) | বিশেষ্য | (i) | চপৰানি |
| (b) | বিশেষণ | (ii) | চাওঁতে |
| (c) | ক্রিয়া বিশেষণ | (iii) | ল'ৰালি |
| (d) | কৃদন্ত | (iv) | মাহে মাহে |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (iii) | (iv) | (ii) |
| (B) | (iv) | (iii) | (ii) | (i) |
| (C) | (iii) | (ii) | (i) | (iv) |
| (D) | (ii) | (iv) | (iii) | (i) |

**তলত দিয়া কথাখিনি মনযোগৰে পঢ়ি তাৰ তলত দিয়া 46 ৰ পৰা 50 প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ** A, B, C **আৰু** D **ৰ পৰা বাছি চিহ্নিত কৰা।**

“সকলো আৰ্টেই সত্য আৰু সৌন্দৰ্য্যৰ ভিতৰেদি মানৰাত্মাক বিকাশ দিয়ে; জীৱনৰ বাস্তৱ পদাৰ্থবোৰকে নানা ৰূপ দিয়ে। আৰ্ট আমাৰ সৌন্দৰ্য-বোধ আৰু আন ভাৱধাৰাৰ আদান-প্ৰদানৰ আলম। চৌষষ্ঠি কলাৰ ভিতৰত ভাস্কাৰ্য, স্থাপত্য, চিত্ৰবিদ্যা, সঙ্গীত আৰু কবিতা, এই পাঁচোটিৰে এটি শ্ৰেণী কৰি সিবোৰক ললিত কলা বা সুকুমাৰ কলা নাম দিয়া হৈছে। কহঁাৰ- কমাৰ বাঢ়ৈ-তাঁতী আদিৰ কাৰু-কাৰ্য্য নিম্নশিল্প। ললিত কলা আৰু নিম্ন-কলাৰ ভিতৰত পাৰ্থক্য ইমানেই যে, নিম্ন শ্ৰেণীয়ে আমাৰ দৈনিক জীৱনৰ লাগতিয়াল বস্তুবোৰ যোগান ধৰে; কিন্তু ললিত কলাই বিশেষকৈ জীৱনৰ সেই দাবীবোৰৰ পৰা আঁতৰতে থাকি আনন্দৰ সঁফুৰা আমাৰ কাষ চপাই দিয়েহি। ললিত কলা নিমজ; ই আমাৰ দিনটীয়া শুকান জীৱনটোক জীপ দি নিমজ আৰু ৰসাল কৰি তোলে। কবিতাৰ লগতে সাহিত্যও এটি আৰ্ট, ই আমাৰ অন্তৰাত্মাৰ আনন্দৰ কাৰণেই বিশেষকৈ জীয়াই আছে। ব্যৱহাৰত আৱশ্যক হোৱা সঁজুলি লৈ ললিত কলাৰ স্থান বা খাপ নিৰ্ণয় কৰা হয়। এই সজুঁলিবিলাকেৰে আৰ্টে বাহিৰৰ বাস্তৱক এক মানসিক গঢ় দিয়ে। খনিকৰে বটালী হাতুৰীৰে নিজৰ প্ৰাণত অঁকা বিদ্যা-দেৱীৰ অভিব্যক্তিৰে হয়তো সৰস্বতীৰ মূৰ্ত্তি গঢ়ে; চিত্ৰকৰে লেখনীৰে প্ৰাকৃতিক সৌন্দৰ্য্যৰ বা কোনোবা ৰূপহৰ ৰূপৰ প্ৰতিৰূপ দিয়ে; শ্ৰীকৃষ্ণই বাঁহীৰ ছেৰত নিজৰ প্ৰাণৰ আকৰ্ষণী মন্ত্ৰ ধ্বনিত কৰি তোলে। এই খনিকৰ, চিত্ৰকৰ বা সঙ্গীতকাৰ শ্ৰীকৃষ্ণৰ প্ৰাণৰ যিবোৰ অনভূতি, সি ক্ৰমে বটালী-হাতুৰী, লেখনী আৰু বাঁহীৰ নিচিনা বাদ্যযন্ত্ৰৰ সঁজুলিৰ আশ্ৰয়ত বাহিৰৰ জগতৰ লোকৰ অন্তৰত সৌন্দৰ্য্যবোধ জগাই দিয়েহি। কিন্তু সাহিত্যত তেনে পাদাৰ্থিক সঁজুলিৰ আৱশ্যক নাই। শব্দৰ ঝঙ্কাৰ বাদ দিলে, কবিতাই পোনে পোনেই এখন অন্তৰত থাকি আন এখন অন্তৰৰ ওচৰত নিজা অনুভূতিৰ বিকাশ প্ৰাৰ্থনা কৰে বুলিব পাৰোঁ। সঁচা কথা ক’বলৈ হ’লে , মানুহৰ কল্পনাক জীপ দিবলৈ বা বাস্তৱক নতুনকৈ ৰূপ দিবলৈ ভাষাৰ নিচিনা নিমজ সঁজুলি আৰু নাই। সেই কাৰণেই সাহিত্য শ্ৰেষ্ঠ আৰ্ট। সাহিত্যই ভাষা আৰু তাৰ ভিতৰৱা শব্দৰ সঙ্গীতেৰে মানৱ-প্ৰাণৰ অনুভূতিবিলাক প্ৰকাশ কৰে। সাহিত্যঞ্চ সৰস্বত্যাঃ কুচযুগলং —সাহিত্য আৰু সঙ্গীত বোলে বিদ্যা-দেৱীৰ স্তনযুগল মাত্ৰ। সাহিত্যই এই দ্বিতীয় আৰ্ট সঙ্গীতৰ নামমাত্ৰ সহায় লৈ ভাবৰ বিকাশ প্ৰাৰ্থনাৰ সমিধান দিয়ে।”

**46.** ললিত কলা আৰু নিম্নকলাৰ ভিতৰত পাৰ্থক্য—

(A) ললিত কলা নিমজ কিন্তু নিম্নকলা খহটা।

(B) ললিত কলাৰ আকৰ্ষণ নান্দনিক আৰু নিম্নকলা ব্যৱহাৰিক।

(C) ললিত কলাৰ জন্ম হৃদয়ত আৰু নিম্নকলাৰ জন্ম মগজুত।

(D) ললিত কলাৰ উপাদান আৰু সজুঁলি ৰং কিন্তু তুলিকা আৰু নিম্নকলাৰ উপাদান আৰু সঁজুলি কাঠ-বাঁহ আৰু হাতুৰী-বটালী।

47. সুকুমাৰ বা ললিত কলাৰ অন্তৰ্ভূক্ত বিষয়বোৰ হ'ল—

(A) কবিতা, গল্প, উপন্যাস, নাটক, প্ৰহসন।

(B) ৰন্ধন-প্ৰকৰণ, কেশবিন্যাস, গৃহসজ্জা, সাজসজ্জা।

(C) ভাস্কাৰ্য, স্থাপত্য, চিত্ৰাঙ্কন, সঙ্গীত আৰু সাহিত্য।

(D) সাহিত্য-চৰ্চা, নাট্যাভিনয়, মূৰ্ত্তি নিৰ্মাণ, গৃহ নিৰ্মাণ।

48. সাহিত্য নিৰ্মাণৰ বাবে কেনে ধৰণৰ 'সঁজুলি'ৰ আৱশ্যক?

(A) হাতুৰী-বটালী

(B) বিভিন্ন প্ৰকাৰৰ লেখনী।

(C) বিভিন্ন ৰং আৰু কাকত।

(D) শব্দ আৰু কল্পনাশক্তি।

49. "সাহিত্যঞ্চ সঙ্গীতঞ্চ সৰস্বত্যাঃ কুচযুগলং" এই কথাফাকিয়ে বুজায় যে—

(A) সাহিত্য আৰু সঙ্গীতৰ সম্বন্ধ ওতপ্ৰোত।

(B) সঙ্গীত সাহিত্যৰ অন্তৰ্ভূক্ত।

(C) সঙ্গীততকৈ সাহিত্য শ্ৰেষ্ঠ।

(D) সঙ্গীত অবিহনে সাহিত্য অস্তিত্বহীন।

50. আৰ্টৰ স্থায়ীত্বৰ কাৰণ হ'ল

(A) ই আমাৰ চকুক আনন্দ দিয়ে।

(B) ই অৰ্থনৈতিকভাৱে লাভজনক।

(C) ই অন্তৰাত্মাক আহ্লাদিত কৰে।

(D) ই সুনাম অৰ্জনত সহায় কৰে।

- o 0 o -

**Space For Rough Work**